ৰাজ্যিক কাৰ্য্যালয়

# ভাৰতীয় জনতা পাৰ্টি ঃঃ অসম প্ৰদেশ

*"অটল বিহাৰী বাজপেয়ী ভৱন"*

Hengrabari, Guwahati - 781 036 :: Tel - 0361-2355522, Fax - 2359936 :: Email- bjp.guwahati@gmail.com

## প্ৰেছ বিজ্ঞপ্তি

## "উচ্চ হাৰৰ ভোটদানেৰে ৰাজনৈতিক ভাৱে সচেতন বস্তিবাসীৰ সাৰ্বিক উন্নয়ণৰ বাবে ঐক্যবদ্ধ প্ৰয়াসৰ প্ৰয়োজন আছে ঃ সিদ্ধাৰ্থ ভট্টাচাৰ্য্য

ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ বস্তি উন্নয়ণ কোষৰ কাৰ্য্যনিৰ্বাহক সম্পন্ন

গুৱাহাটী, ১৩ ডিচেম্বৰ ২০১৪ ঃ ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ ৰাজ্যিক কাৰ্য্যালয়ত বস্তি উন্নয়ণ কোষৰ কাৰ্য্যনিৰ্বাহক সভাত অংশ গ্ৰহণ কৰি ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি সিদ্ধাৰ্থ ভট্টাচাৰ্য্যই ৰাজ্যখনৰ নগৰ, মহানগৰ সমূহত গঢ় লৈ উঠা বস্তিসমূহৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়ণৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাৱলীৰ ওপৰত আলোকপাত কৰে। দেশৰ প্ৰধান মহানগৰ মুম্বাইৰ বস্তি অঞ্চলৰ লগত অসমত নতুনকৈ গঢ় লৈ উঠিব ধৰা বস্তিসমূহৰ তুলনাত্মক ব্যাখ্যা আগবঢ়াই বস্তিবাসী সকলৰ উচ্চ হাৰৰ ভোটদানৰ প্ৰসংগ উনুকিয়াই সভাপতিগৰাকীয়ে বস্তিবাসীৰ জীৱনধাৰণৰ মান উন্নত কৰাৰ বাবে বাকী থকা কৰিবলগীয়াখিনি সমাপন কৰিবৰ বাবে উপস্থিত সকলোকে ঐক্যবদ্ধ ভাৱে আগবাঢ়িবলৈ আহ্বান জনায়। নিজৰ ভাষণত সভাপতি ভট্টাচাৰ্য্যই বস্তিবাসী ৰাইজে কিদৰে সমাজৰ প্ৰতি সেৱা আগবঢ়াই আহিছে তাৰ ব্যাখ্যা আগবঢ়ায়। ইয়াৰ আগতে, সভাত ভাষণ দি দলৰ ৰাজ্যিক উপ-সভাপতি হৰেকৃষ্ণ ভৰালীয়ে, দলে সমাজৰ শেষৰ জন লোকক আগবঢ়াব বিচাৰে বুলি মত পোষণ কৰে। এই সভাত নিজৰ বক্তব্য ৰাখি দলৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ফনীন্দ্ৰ নাথ শৰ্মাই দলে কাকো প্ৰৱঞ্চনা নকৰে বুলি কৈ অপ-প্ৰচাৰত পাকৈত কংগ্ৰেছ দলৰ বিভ্ৰান্তিমূলক অপ-প্ৰচাৰৰ সমূচিত প্ৰত্যুত্তৰ ৰাইজৰ মাজলৈ লৈ যাবলৈ উপস্থিত দলৰ নেতা কৰ্মী সকলক আহ্বান জনায়। দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক ভবেশ কলিতাও উপস্থিত থকা বস্তি উন্নয়ণ কোষৰৰ ৰাজ্যিক আহ্বায়ক মানিক চন্দ্ৰ দাসৰ পৌৰহিত্যত অনুষ্ঠিত এই সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন আৰু মাতৃ বন্দনা হোৱাৰ পাছত কোষৰ ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সদস্য বিপুল ৰায়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। নিজৰ ভাষণত সভাপতি মানিক দাসে সদস্য ভৰ্তি অভিযান সম্পৰ্কত বক্তব্য ৰাখে। এই সভাতে কোষৰ তৰফৰ পৰা দলৰ ৰাজ্যিক সভাপতি ভট্টাচাৰ্য্যক বিপুল আদৰণি জনোৱা হয়।

- স্বাক্ষৰিত -

( জিতু তালুকদাৰ)
সহ আহ্বায়ক, মিডিয়া কোষ
বিজেপি, অসম প্ৰদেশ